জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৪০৭/২০২০**

# ‘উদ্যম অসম’ কাৰ্যসূচীত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

## পৰম্পৰাগত সামগ্ৰীসমূহৰ বজাৰ মূল্য বৃদ্ধিৰ বাবে উদ্ভাৱনীমূলক ধাৰণাৰ আশ্ৰয় ল’বলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**প্ৰতিষ্ঠাৰ প্ৰথমটো বৰ্ষতে ‘আছাম ষ্টাৰ্ট আপ- দ্য নেষ্টে’ উদগণি যোগালে ৭৫ টাকৈ নতুন উদ্যোগ গোটক**

## নতুন ষ্টাৰ্ট আপসমূহে ১৬৯০ টা প্ৰত্যক্ষ আৰু ৪০ হাজাৰৰো অধিক পৰোক্ষ নিয়োজনৰ সৃষ্টি কৰিছে

**দিছপুৰ, ৭ জুন ঃ** বিশ্বৰ বজাৰ দখল কৰিব পৰাকৈ ৰাজ্যখনৰ পৰম্পৰাগত সামগ্ৰীসমূহৰ গুৰুত্ব বৃদ্ধিৰ বাবে উদ্ভাৱনীমূলক ধাৰণাৰে আগবাঢ়িবলৈ ৰাজ্যৰ যুৱ উদ্যোগীসকলক মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আহ্বান জনাইছে। আজি মহানগৰীৰ আমবাৰীত ‘আছাম ষ্টাৰ্ট আপ -দ্য নেষ্ট’ৰ সফলতা উদ্‌যাপনৰ বাবে আয়োজিত ‘উদ্যম অসম’ শীৰ্ষক এক অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে এই আহ্বান জনায়।

ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ তত্ত্বাৱধানত গঠিত সংস্থা ‘আছাম ষ্টাৰ্ট আপ -দ্য নেষ্টে’ ইয়াৰ প্ৰতিষ্ঠাকালৰ পৰা প্ৰথমটো বৰ্ষৰ ভিতৰতে ৭৫ টা ষ্টাৰ্ট আপত উদগণি যোগাইছে। এই ষ্টাৰ্ট আপসমূহে প্ৰায় ১১ কোটি টকাৰ ব্যৱসায় কৰাৰ লগতে ১৬৯০ গৰাকী লোকক প্ৰত্যক্ষ আৰু ৪০ হাজাৰৰো অধিক ব্যক্তিক পৰোক্ষ নিয়োগৰ সুবিধা আগবঢ়াইছে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে একবিংশ শতিকা হৈছে প্ৰযুক্তিৰ যুগ। জনজীৱনৰ প্ৰতিটো ক্ষেত্ৰতে এতিয়া প্ৰযুক্তিয়ে প্ৰভাৱ বিস্তাৰ কৰিছে, সমান্তৰালভাৱে মানুহৰ পছন্দও সলনি হৈ গৈ আছে। সকলোৰে দৃষ্টি আকৰ্ষণেৰে বিশ্বৰ বজাৰ দখল কৰিবলৈ হ’লে আমি উদ্ভাৱনীমূলক ধাৰণাৰ আশ্ৰয় ল’বই লাগিব। সেয়েহে আমাৰ স্থানীয়ভাৱে উৎপাদিত সামগ্ৰীসমূহৰ বজাৰ মূল্য বৃদ্ধিৰ বাবে নবীন উদ্যোগীসকলে উদ্ভাৱনীমূলক ধাৰণা সংযোজন ঘটোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব।

পৰম্পৰাগত সাজ-পোছাক, কাঁহ-পিতলৰ সামগ্ৰী আদিৰ দৰে ৰাজ্যখনৰ কুটীৰ উদ্যোগসমূহৰ সুকীয়া পৰিচয়ৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মানুহৰ দৃষ্টি আকৰ্ষণ কৰিব পৰাকৈ এইসমূহ সামগ্ৰীত সকলো উপাদানেই নিহিত হৈ আছে। অৱশ্যে গ্ৰাহকসকলৰ পৰিৱৰ্তিত পছন্দৰ প্ৰতি

লক্ষ্য ৰাখি এই ক্ষেত্ৰত আমি অধিক উদ্ভাৱনীমূলক চিন্তা-চৰ্চ্চা কৰিব লাগিব। তথ্য প্ৰযুক্তি সেৱাৰ প্ৰয়োগৰ দ্বাৰাও এই সামগ্ৰীসমূহৰ বিপণনৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সূচনা কৰা ষ্টাৰ্ট আপ ইণ্ডিয়া, স্কীল ইণ্ডিয়া, ডিজিটেল ইণ্ডিয়া আৰু মেক ইন ইণ্ডিয়াৰ দৰে কাৰ্যসূচীয়ে ভাৰতীয় উদ্যোগীসকলক গোলকীয় প্ৰেক্ষাপটত সমভাৱে প্ৰতিদ্বন্দ্বিতা কৰাৰ এক ডাঙৰ সুযোগ আনি দিলে। ভাৰতীয় ষ্টাৰ্ট আপসমূহে বিশ্বৰ বজাৰত নিজৰ শক্তিশালী উপস্থিতি সাব্যস্ত কৰাৰ জৰিয়তে এই পদক্ষেপ সমূহে বৰ্তমান সুফল দিবলৈ আৰম্ভ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

ৰাজ্যখনৰ উদ্যোগীসকলৰ শেহতীয়া সফলতাসমূহে ৰাজ্যৰ যুৱ প্ৰজন্মৰ উদ্ভাৱনীমূলক ধাৰণাৰ এক সৰল নিদৰ্শন দাঙি ধৰিছে বুলি উল্লেখ কৰি বিশ্বৰ বজাৰত অসমৰ স্থান অধিক সুদৃঢ় কৰাৰ বাবে ৰাজ্যৰ যুৱক-যুৱতীসকলক অধিক উদ্ভাৱনীমূলক ধাৰণাৰে আগবাঢ়ি আহিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। তেওঁ লগতে কয় যে যুৱ উদ্যোগীসকলে লাভ কৰা এই সাফল্যই ৰাজ্যৰ নতুন প্ৰজন্মক ষ্টাৰ্ট আপক এক কেৰিয়াৰ হিচাপে গ্ৰহণ কৰাত উৎসাহ যোগাব। এই কেন্দ্ৰটোক এক আগশাৰীৰ ষ্টাৰ্ট আপ উদ্যোগ হিচাপে গঢ়ি তোলাৰ বাবে উদ্যোগ আৰু বাণিজ্য বিভাগে গ্ৰহণ কৰা পদক্ষেপৰো মুখ্যমন্ত্ৰীয়ে শলাগ লয়।

আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী সোণোৱালে 'মাই আছাম ষ্টাৰ্ট আপ আইডি'ৰ অধীনত এই কেন্দ্ৰই উদগণি যোগোৱা ৩১ টা ষ্টাৰ্ট আপলৈ বিত্তীয় অনুদানৰ প্ৰথম কিস্তিৰ চেকসমূহো বিতৰণ কৰে। তেওঁ লগতে 'আছাম ট্ৰেইলব্লেজাৰ্ছ' শীৰ্ষক কফি টেবুল বুকখনৰ প্ৰথম সংস্কৰণো আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই গ্ৰন্থখনত অসম ষ্টাৰ্ট আপৰ যাত্ৰাৰ বিৱৰণৰ লগতে ষ্টাৰ্ট আপসমূহৰ সফলতাৰ কাহিনীও সন্নিবিষ্ট কৰা হৈছে। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী সোণোৱালে ৰাজ্যখনলৈ ঘূৰি অহা প্ৰব্ৰজিত শ্ৰমিকসকলৰ বাবে গ্ৰহণ কৰা 'উদ্যম-য়ুথ এন্টাৰপ্ৰিনিউৰশ্বিপ প্ৰগ্ৰেম' নামৰ এক নতুন পদক্ষেপো আনুষ্ঠানিকভাৱে আৰম্ভ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে কয় যে গোলকীয় ব্যৱসায়িক বজাৰখনৰ পৰিৱৰ্তিত ধাৰাৰ সৈতে খাপ খুৱাই যুৱ উদ্যোগীসকলক আগবঢ়াই লৈ যোৱাৰ বাবে গ্ৰহণ কৰা 'আছাম ষ্টাৰ্ট আপ -দ্য নেষ্ট' হৈছে চৰকাৰখনৰ এক সপোনৰ প্ৰকল্প। তেওঁ কয় যে ২০১৭ চনত অসম দক্ষতা উন্নয়ন বিভাগ স্থাপনৰ জৰিয়তে ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত নিজৰ লক্ষ্য আৰু উদ্দেশ্যৰ কথা স্পষ্টৰূপত প্ৰতিফলিত কৰিছে। এই বিভাগৰ অধীনৰ অসম দক্ষতা উন্নয়ন অভিযানে ৰাজ্যৰ যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ লগতে তেওঁলোকক উদ্ভাৱনীমূলক ধাৰণাৰে উজ্জীৱিত কৰাৰ বাবেও বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে।

উদ্যোগ মন্ত্ৰীগৰাকীয়ে লগতে কয় যে একবিংশ শতিকা কৃত্ৰিম বুদ্ধিমত্তাৰ যুগ। আজি দৈনন্দিন জীৱনৰ প্ৰতিটো ক্ষেত্ৰৰ লগতে তথ্য প্ৰযুক্তি সংযোজিত হৈ পৰিছে আৰু পৃথিৱীখনে লাহে লাহে 'ইন্টাৰনেট অফ থীংছ'(আই অ' টি), 'ইন্টাৰনেট অৱ এভ্ৰিথিং'(আই অ' ই টি) আৰু ষ্টাৰ্ট আপৰ দিশে গতি কৰিছে।

ৰাজ্যৰ যুৱক-যুৱতীসকলৰ দক্ষতা বৃদ্ধিৰ গুৰুত্বৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এতিয়া কোনোৱেই সামগ্ৰীৰ গুণমানৰ লগত আপোচ নকৰে আৰু সেয়েহে এই পৰিৱৰ্তিত ধাৰাৰ সৈতে খাপ খুৱাই চলিবলৈ হ'লে দক্ষতা বিকাশেই হৈছে একমাত্ৰ বিকল্প।

অনুষ্ঠানৰ অংশ হিচাপে 'আছাম ষ্টাৰ্ট আপ -দ্য নেষ্টে' আজি 'দ্য ইণ্ড -ইউ এছ এন্টাৰপ্ৰিনিউৰছ' (টি আই ই ), আৰু 'সংগম ভেনচাৰ্ছ' নামৰ দুটা সংস্থাৰ লগত বুজা-বুজিৰ চুক্তিতো স্বাক্ষৰ কৰে।

উদ্যোগ আৰু বাণিজ্য বিভাগৰ আয়ুক্ত সচিব ড° কে কে দ্বিবেদীয়ে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত আছাম ষ্টাৰ্ট আপৰ মুখ্য পৰিচালন বিষয়া প্ৰাঞ্জল কোঁৱৰে নেষ্টৰ যাত্ৰাৰ বিৱৰণৰ ওপৰত নিৰ্মিত এক চমু প্ৰেজেন্টেশ্যন আগবঢ়ায়। অনুষ্ঠানত অট' ম'ভিল, পাৰ্কিং ৰাইনো, ব্ৰহ্মপুত্ৰ ফেবল্‌ছ, লেটছ লাৰ্ণ টুগেডাৰ, ইছাহ টী, স্প'ক হাব আৰু ডিফেন্স এণ্ড স্পেচ ৰব'টিকছ্ লেৰৰটৰী নামৰ ষ্টাৰ্ট আপসমূহে নিজৰ সাফল্যৰ কাহিনী অৱগত কৰে।

**বীঃগঃ / প্ৰঃকুঃবঃ**

**৭-০৬-২০২০**